www.newsnextone.com
e সংবাদ

WEDNESDAY, DECEMBER 27, 2023 www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, দ্বিতীয় সংখ্যা Guwahati, Assam ।। মূল্যঃ এটকা


# ব্ৰাহ্মণ্যবাদ কৰি বিপদত হিমন্ত

## ২০ ঘণ্টাৰ ভিতৰত নেগুৰ পেলালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই!

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** মঙলবাৰে নিশাৰে পৰা নোহোৱা হ'ল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ডিলিট কৰিলে। ক'বলৈ গ'লে ডিলিট কৰা নাই। ডিলিট কৰিবলৈ বাধ্য হৈছে মুখ্যমন্ত্ৰীজনে। সামাজিক মাধ্যমত তীব্ৰ সমালোচনাৰ সন্মুখীন হৈ ডিলিট কৰিছে সেই বিশেষ পোষ্টটো। যিটো পোষ্টত শূদ্ৰসকলক অপমান কৰা হৈছে বুলি অভিযোগ উত্থাপন হৈছিল, সামাজিক মাধ্যমযোগে পোষ্টটোৰ বিৰোধ কৰি মুখ্যমন্ত্ৰীৰ মানসিকতাক বহু লোকে নিন্দা কৰিছিল। জনপ্ৰতিনিধি তথা ৰাজ্যৰ মুৰব্বী হৈ এজন মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত কেনেকৈ এনেধৰণৰ কথা প্ৰচাৰ কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীক উভতি ধৰিছিল বিভিন্নজনে। ফলত প্ৰায় ২০ ঘণ্টাৰ অন্তত মুখ্যমন্ত্ৰীয়ে নেগুৰ পেলাবলৈ বাধ্য হয়।

প্ৰকৃততে মুখ্যমন্ত্ৰীয়ে ২৬ ডিচেম্বৰৰ পুৱা ফেচবুক আৰু টুইটাৰত একেটা ভিডিঅ'কে পোষ্ট কৰিছিল। সেই ভিডিঅ'টোত ভইচ অভাৰ আৰু গ্ৰাফিকচ যোগে কোৱা হৈছে "কৃষি কৰ্ম, গো-পালন, বাণিজ্য- এইসমূহ হৈছে বৈশ্যৰ স্বভাৱজাত তথা স্বাভাৱিক কৰ্ম আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য- এই তিনি বৰ্ণক শুশ্ৰূষা কৰাটো হৈছে শূদ্ৰৰ স্বাভাৱিক কৰ্ম।" এইটো হৈছে শ্ৰীমদ্ভগৱদগীতাৰ এটা শ্লোক। শ্ৰীমদ্ভগৱদগীতাৰ সন্ন্যাস যোগৰ ৪৪ নং শ্লোকটো মুখ্যমন্ত্ৰীয়ে পুৱাই ৰাজ্যখনৰ লোকক দিনটোৰ বাবে শুভকামনা যাচিছিল। মুখ্যমন্ত্ৰীয়ে প্ৰতিদিনে শ্ৰীমদ্ভগৱদগীতা শ্লোক প্ৰচাৰ কৰি শুভকাংক্ষীক হিন্দুত্বৰ প্ৰতি অনুপ্ৰাণীত কৰিবলৈ প্ৰয়াস কৰি আহিছে। বিজেপিত যোগদানৰ পাছৰে পৰা নৱৰূপ ধাৰণ কৰি মুখ্যমন্ত্ৰীয়ে সভা-সমিতি আৰু সমাজিক মাধ্যমত এনেধৰণে হিন্দুত্বৰ প্ৰচাৰ কৰি আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হিন্দুত্ববাদৰ বাণীক সমৰ্থক,

(শেষাংশ ৬ পৃষ্ঠাত)




"ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য- এই তিনি বৰ্ণক শুশ্ৰূষা কৰাটো হৈছে শূদ্ৰৰ স্বাভাৱিক কৰ্ম।" ৰাইজৰ ৰোষত পৰি গীতাৰ এই বৰ্ণবাদী শ্লোক ডিলিট কৰিবলৈ বাধ্য হ'ল মুখ্যমন্ত্ৰী!

# হস্তীৰ কন্যা প্ৰতিমা বৰুৱা পাণ্ডেৰ সোণসেৰীয়া সাংগীতিক যাত্ৰা

প্ৰতিমা বৰুৱা পাণ্ডেৰ সাংগীতিক যাত্ৰাৰ কথা ক'লেই সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কথাও আহি পৰে। এক কথাত ক'বলৈ হ'লে সংগীতৰ ক্ষেত্ৰখনত তেখেতৰ পথ-প্ৰদৰ্শকস্বৰূপ আছিল সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা।

**উপমা বৰুৱা**

গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে। নামেই যাৰ পৰিচয়। দুটা দশক পূৰ্বেই তেখেত আমাৰ মাজৰ পৰা অচিনা দেশলৈ আতৰি গৈছিল যদিও আজিও আমাৰ সুৰৰ সাম্ৰাজ্যত জীৱন্ত হৈয়েই আছে পৰাণ নিগৰি অহা হস্তীৰ কন্যাৰ সেই সুৰ। প্ৰতিমা বৰুৱা পাণ্ডেৰ মৃত্যুৰ পিছত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাই লিখিছিল, “এটি জীৱনে যিখিনি দিব পাৰে তাতকৈ বহুগুণে বেছিকৈ দি গৈছে প্ৰতিমাই। জীৱনৰ প্ৰতিটো খোজতে লোকগীতেৰে ওপচাই তুলি মৃত্যুৰ পিনে আগুৱালে তেওঁ... ৰাখি গ'ল এক সুবিশাল ভৰাল। গোৱালপৰীয়া লোকগীতিক বিশ্বৰ দৰবাৰত লৈ যাবলৈ মনপ্ৰাণ ঢালি দিছিলে তেওঁ। সাধাৰণ সাজপাৰ, অথচ কি অসাধাৰণ ব্যক্তিত্ব, সৌন্দৰ্য।” এয়াই প্ৰতিমা। ধুবুৰীৰ গৌৰীপুৰীয়া ৰাজপৰিয়ালৰ জীয়ৰী। জন্ম হৈছিল ১৯৩৫ চনৰ ৩ অক্টোবৰত কলকাতাত। পিতৃ আছিল প্ৰকৃতিশ বৰুৱা। মাকৰ নাম মালতীবালা বৰুৱা। 'দেৱদাস' খ্যাত প্ৰমথেশ চন্দ্ৰ বৰুৱা আছিল প্ৰতিমা বৰুৱা পাণ্ডেৰ বৰদেউতাক। মুখত সোণৰ চামুচ লৈ জন্ম হোৱা ৰাজপৰিয়ালৰ কন্যাগৰাকীয়ে শৈশৱতেই প্ৰেমত পৰিছিল সুৰৰ। প্ৰথমে কলকাতাৰ 'গোখলে মেম'ৰিয়েল স্কুল'ত আৰু পিছলৈ 'গৌৰীপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৫৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত উচ্চশিক্ষাৰ বাবে ছাউথ কলকাতা গাৰ্লছ কলেজত নামভৰ্তি কৰিলেও সেয়া আধৰুৱা হৈ ৰয়। বিদ্যালয়ত ৰবীন্দ্ৰ সংগীত শিকাৰ বাহিৰে সংগীতত কোনো আনুষ্ঠানিক শিক্ষা নাছিল যদিও পিছলৈ সংগীতেই হৈ পৰিছিল তেখেতৰ জীৱন। প্ৰতিমা বৰুৱা গৌৰীপুৰৰ ৰাজকুমাৰী হ'লেও ৰাজসুখত জীৱন নিয়াবলৈ তেওঁ কোনোমতেই ৰাজি নাছিল।

প্ৰতিমা বৰুৱা পাণ্ডেই প্ৰথম লোকগীত পৰিৱেশন কৰিছিল ১৯৪৯ চনত কলিকতাৰ নিউ এম্পেয়াৰ থিয়েটাৰ হ'লত। গাভৰু কালত সুদূৰ কাশ্মীৰলৈকো অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈছিল প্ৰতিমা বৰুৱা পাণ্ডেই। ভাৰতৰ সংগীতৰ ক্ষেত্ৰখনত মাউত, নাৱৰীয়া আৰু চহা কৃষকৰ দৰে সহজ-সৰল শ্ৰমজীৱি লোকসকলৰ হা-হুমুনিয়াহ প্ৰতিফলিত হোৱা লোকগীতক বহল পৰিসৰলৈ যোৱাৰ কৃতিত্ব যিসকল শিল্পীৰ আছে সেইসকলৰ ভিতৰত প্ৰতিমা বৰুৱা পাণ্ডেও অন্যতম। ৰাজপৰিয়ালৰ কন্যা হৈয়ো সাধাৰণ মানুহৰ যন্ত্ৰণা বুকুত ধাৰণ কৰি প্ৰাণ ঢালি গীত গাইছিল প্ৰতিমাই। যি গীত শুনিলেই জুৰ পৰি যায় সকলোৰে মন-প্ৰাণ। সেয়ে প্ৰতিমা লোকগীতৰ সম্ৰাজ্ঞী। প্ৰতিমা বৰুৱা পাণ্ডেৰ সাংগীতিক যাত্ৰাৰ কথা ক'লেই সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কথাও আহি পৰে। এক কথাত ক'বলৈ হ'লে সংগীতৰ ক্ষেত্ৰখনত তেখেতৰ পথ-প্ৰদৰ্শকস্বৰূপ আছিল সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা। ১৯৫৫ চনত ‘মাহুত বন্ধুৰে’ কথাছবি নিৰ্মাণৰ পৰিকল্পনা লৈ পোন প্ৰথমবাৰৰ বাবে গৌৰীপুৰলৈ গৈছিল ভূপেন হাজৰিকা। তেতিয়াই ভূপেন হাজৰিকাক ৰাজবাৰীলৈ নিমন্ত্ৰণ জনাই প্ৰকৃতিশ চন্দ্ৰ বৰুৱাই আয়োজন কৰে এখন জলসাৰ। সেই জলসাত ভূপেনদাৰ লগতে গীত পৰিৱেশন কৰে প্ৰতিমা বৰুৱাই। সেই সময়ত প্ৰতিমা বৰুৱা আছিল ২০ বছৰীয়া গাভৰু। ভূপেনদাৰ সম্মুখত লাজ লাজকৈ তিনিটা গীত ‘হস্তীৰ কন্যা হস্তীৰ কন্যা বামোনেৰো নাৰী’, ‘ও মোৰ ভাবৰে দেওৰা’ আৰু ‘সোণাৰ বৰন পাখী ৰে তোৰ’ গীতকেইটি পৰিৱেশন কৰে প্ৰতিমা বৰুৱাই। ১৯৫৬ চনত ভূপেন হাজৰিকাৰ সংগীতত ‘এৰা বাটৰ সুৰ’ বোলছবিত লোকগীত পৰিৱেশন কৰে তেখেতে। ১৯৫৭ চনত ‘মাহুত বন্ধুৰে’ চলচ্চিত্ৰত গীত গাই অসংখ্য মানুহৰ হৃদয় জয় কৰে। ১৯৬০ চনত সুধাকণ্ঠৰ সাহস আৰু প্ৰেৰণাতেই তেখেতে আকাশবাণীত অডিশ্যন দিছিল আৰু উত্তীৰ্ণ হোৱাৰ পিছত ১৯৬২ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক পুৰুষোত্তম দাসৰ সহায়ত ‘একবাৰ হৰি বলো মন ৰসনা’ গীতটি প্ৰথম ৰেকৰ্ড হিচাবে সম্প্ৰচাৰিত হয়। আকাশবাণীত বাণীৱদ্ধ হোৱা তেখেতৰ মুঠ গীতৰ সংখ্যা ৩২০টা। গুৱাহাটী দূৰদৰ্শনৰ সৈতেও তেখেতৰ আছিল সু-সম্পৰ্ক। তেখেতে দূৰদৰ্শনযোগে নিয়মীয়াকৈ গোৱালপৰীয়া লোকগীতো পৰিৱেশন কৰিছিল।

গোৱালপৰীয়া লোকগীতক জনপ্ৰিয় কৰি তোলা প্ৰতিমা বৰুৱা পাণ্ডেই ১৯৮৯ চনত ‘সংগীত নাটক একাডেমী’ আৰু ১৯৯১ চনত লাভ কৰে ‘পদ্মশ্ৰী’ সন্মান। ইয়াৰ উপৰিও তেখেতে লাভ কৰিছে অসম শিল্পী দিৱস বঁটা, জয়মতী বঁটা, বিষ্ণুৰাভা বঁটা, অসম নাট্য সমিতি বঁটা, আৰু অব্বাছুদ্দিন মেম'ৰিয়েল বঁটা (কলকাতা)। ২০০০ চনত উত্তৰ বংগ বিশ্ববিদ্যালয়ে তেখেতক প্ৰদান কৰে সন্মানীয় ডি লিট উপাধি।এনেদৰে ৰজাৰ পৰিয়ালত জন্মগ্ৰহণ কৰিও হাতী, লোকগীত আৰু সাধাৰণ মানুহৰ প্ৰেমত পৰা প্ৰতিমা বৰুৱা পাণ্ডেই নিজৰ কথা নাভাবি একমাত্ৰ সংগীতৰ নামতেই উৎসৰ্গা কৰি গৈছিল নিজক। ৰোগ-ব্যাধিকো কোনো প্ৰশ্ৰয় নিদি কেৱল গানৰ নামতেই কৰি গৈছিল জীৱনপাত। ২০০২ চনত তেখেতে ভৰি থৈছিল ৬৭ বছৰ বয়সত। হঠাৎ অসুস্থ হৈ পৰাত তেখেতক ভৰ্তি কৰা হৈছিল জিএনআৰচিত। চিকিৎসাধীন অৱস্থাতেই উক্ত বৰ্ষৰ ২৭ ডিচেম্বৰত অসমবাসীক কন্দুৱাই তেখেতে গতি কৰে অজান দেশলৈ। কিন্তু প্ৰতিটো গীতে আজিও তেখেতক জীয়াই ৰাখিছে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ভাষাৰে ক'বলৈ হ'লে প্ৰতিমা আছিল ৰজাৰ প্ৰতিমা। মানুহৰ প্ৰতিমা। এই প্ৰতিমাৰ কেতিয়াও বিসৰ্জন নহয়। সেই দিনধৰি বিশাল লুইতৰে বৈ গৈছে বহু পানী। সেই পানীৰ কুলকুলু ধ্বনিত যেন আজিও প্ৰতিধ্বনিত হৈ ৰৈছে 'একবাৰ হৰিবোল মন ৰসনা'। লুইতৰ পৰা কেই ফাৰ্লংমান দূৰৈত মহানগৰীৰ চানমাৰিৰ শ্বহীদ উদ্যানত থকা তেখেতৰ প্ৰতিমূৰ্তিটোলৈ চালে আজিও প্ৰতিগৰাকী অনুৰাগীৰ দুচকুত জীৱন্ত হৈ উঠে লোকগীতৰ সম্ৰাজ্ঞী হস্তীৰ কন্যা আৰু গাই উঠে সেই কালজয়ী গীত, 'হস্তীৰ কন্যা অ' মোৰ...।'

**সম্পাদকীয়**

বুধবাৰ,
২৭ ডিচেম্বৰ, ২০২৩।।
নিশা ১০ বজা

# উত্তৰ-দক্ষিণ ভাৰত বিতৰ্ক

দীৰ্ঘদিন ধৰি বিজেপিয়ে দক্ষিণ ভাৰতত আগ্ৰাসনৰ চেষ্টা চলাই আহিছে যদিও কাৰ্যক্ষেত্ৰত সফল হোৱা নাই বিজেপি। বিগত সময়ত বিজেপিয়ে দক্ষিণৰ ৰাজ্য কৰ্ণাটকতে খোপনি পুতিবলৈ সক্ষম হৈছিল যদিও এইবাৰ তাৰ পৰাও ভেটি উচন খালে দলটোৰ। এনে পৰিপ্ৰেক্ষিতত এতিয়া কেৱল উত্তৰ ভাৰতৰ ৰাজ্যসমূহতহে নিজৰ প্ৰভাৱ ধৰি ৰাখিবলৈ সক্ষম হৈছে দলটোৱে। দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ নিৰ্বাচনী পৰিস্থিতি প্ৰায়ে উত্তৰ ভাৰতীয় ৰাজ্যসমূহৰ তুলনাত পৃথক হোৱা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, ১৯৭৭ চনৰ লোকসভা নিৰ্বাচনত যেতিয়া হিন্দী বলয়ৰ ৰাজ্যসমূহত কংগ্ৰেছ বেয়াকৈ পৰাস্ত হৈছিল, তেতিয়াও দক্ষিণৰ ৰাজ্যসমূহত কংগ্ৰেছে ভাল প্ৰদৰ্শন কৰিছিল। উত্তৰ ভাৰতৰ অধিকাংশ ৰাজ্যতে বিজেপি, কংগ্ৰেছৰ দৰে দলৰ অৱস্থা শক্তিশালী হোৱাৰ বিপৰীতে দক্ষিণৰ ৰাজ্যসমূহত আঞ্চলিক দলৰ প্ৰভাৱ দীৰ্ঘদিন ধৰি চলি আহিছে। শেহতীয়াকৈ সম্পন্ন হোৱা ৫ ৰাজ্যৰ বিধানসভা নিৰ্বাচনত হিন্দী বলয়ৰ তিনি ৰাজ্য মধ্যপ্ৰদেশ, ছত্তীশগড় আৰু ৰাজস্থানত বিজেপিৰ জয়লাভ আৰু দক্ষিণ ভাৰতৰ ৰাজ্য তেলেংগানাত কংগ্ৰেছৰ বিজয়ৰ পিছতে এতিয়া সূত্ৰপাত ঘটিছে ‘উত্তৰ ভাৰত বনাম দক্ষিণ ভাৰত’ বিতৰ্কৰ। ৰাজনৈতিকভাৱে এই বিতৰ্কৰ সূচনা হোৱাৰ পিছতে এতিয়া সামাজিক মাধ্যমতো বিভিন্নজনে ব্যক্ত কৰিবলৈ আৰম্ভ কৰিছে প্ৰতিক্ৰিয়া। অনেকে লিখিছে যে বিজেপিৰ সাফল্য কেৱল হিন্দী বলয়ৰ ৰাজ্যতহে সম্ভৱ, য'ত জন্মৰ হাৰ অধিক কিন্তু সাক্ষৰতাৰ হাৰ কম। বিজেপি মুক্ত দক্ষিণ ভাৰতৰ উদাহৰণ দাঙি ধৰিয়েই এনেদৰে মন্তব্য কৰিছে অনেকে। সি যি নহওক ২০২৪ৰ লোকসভা নিৰ্বাচনৰ সময়ত দেশৰ ৰাজনীতিত এই বিতৰ্কৰ কি প্ৰভাৱ পৰে সেয়া হ'ব লক্ষণীয়।

# ‘হিমন্ত চৰকাৰ’ৰ তলত চাকৰি নকৰে আনন্দ মিশ্ৰই

## ১৮ ডিচেম্বৰতে প্ৰেৰণ কৰিছিল পদত্যাগ পত্ৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, ২৭ ডিচেম্বৰঃ** বহু বিতৰ্কিত উত্তৰ ভাৰতৰ আইপিএছ আনন্দ মিশ্ৰৰ খাকী পোছাক পিন্ধাৰ ইচ্ছা সমূলাঞ্চে নাইকিয়া হৈছে৷ কিয়নো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাৰো ৰঙা চকু দেখুৱাইছে আনন্দ মিশ্ৰক৷ একপ্ৰকাৰ মুখ্যমন্ত্ৰীয়ে ধমক দিছিল আনন্দ মিশ্ৰক৷ সেইগৰাকী আনন্দ মিশ্ৰই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ তলত চাকৰি নকৰি এতিয়া সমাজসেৱা কৰিব খুজিছে৷ পদত্যাগ কৰিলে আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই। লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষক হিচাপে দায়িত্বত থকা আনন্দ মিশ্ৰই ১৮ ডিচেম্বৰতে এক পত্ৰৰ জৰিয়তে পদত্যাগৰ কথা অৱগত কৰিছে ৰাজ্যৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙক। ভাৰতীয় আৰক্ষী সেৱাৰ পৰা চৰ্তহীন পদত্যাগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে৷ ইতিমধ্যে পদত্যাগ পত্ৰ প্ৰদান কৰি মিশ্ৰই উল্লেখ কৰিছে যে ‘স্বাধীন জীৱন কটাই, স্বাধীনভাৱে বিভিন্ন সামাজিক আৰু আন আন কাম-কাজ কৰি যোৱাৰ আগ্ৰহেৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।’ কিন্তু ওভতগোৰে নচা এইগৰাকী ‘ডাবাং ক’প্ছ’ নামে চৰ্চিত এইগৰাকী আনন্দ মিশ্ৰই চাকৰি এৰিব খুজিছে কিয়? বিহাৰলৈ গৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি প্ৰচাৰ হৈ অহাৰ সময়তে লোকসভা নিৰ্বাচনলৈ মাজ মাথো ৯০টা দিন বাকী থকা অৱস্থাত আনন্দ মিশ্ৰই চাকৰি ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে৷ একাংশ লোকে দাবী কৰা মতে, আনন্দ মিশ্ৰই বাহিৰলৈ গৈ এটা ৰাজনৈতিক দলৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মন মেলিছে৷ এক পৰিকল্পনা অনুসৰিয়েই নিৰ্বাচনৰ পূৰ্বে চাকৰি এৰাৰ সিদ্ধান্ত লৈছে আনন্দ মিশ্ৰই৷ এইটো প্ৰথম কাৰণ হিচাপে বিবেচিত হৈছে৷ আনটো কাৰণ হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সংঘাত৷ নগাঁও জিলাৰ আৰক্ষী অধীক্ষক হৈ থকাৰ সময়ৰে পৰা আনন্দ মিশ্ৰ আৰু মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাৰ মাজৰ সংঘাত স্পষ্ট হৈ পৰিছিল৷ যদিও মুখ্যমন্ত্ৰীয়ে বিধানসভাৰ ভিতৰত ধিঙৰ বিধায়ক আমিনুল ইছলামক ঠাট্টা কৰাৰ সুৰেৰে ‘মই আনন্দ মিশ্ৰক ধিঙলৈ পঠিয়াই থাকিম’ বুলি কৈছিল৷ কিন্তু নগাঁৱৰ কীৰ্তিকমল বৰা নামৰ ছাত্ৰ নেতাজনক ভুৱা এনকাউণ্টাৰ কৰি ব্যাপক বিতৰ্কত সোমাই পৰিছিল আনন্দ মিশ্ৰ৷ নগাঁৱৰ সৰ্বসাধাৰণে ছাত্ৰনেতাজনক গুলীয়াই ঘূণীয়া কৰা কাৰ্যক কেতিয়াও সহজে ল’ব পৰা নাছিল৷ কীৰ্তিকমল বৰা কাণ্ডই মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাক শলঠেকত পেলাইছিল৷ কিয়নো ধৰ্ম বিশেষৰ অভিযুক্তক ধৰি অসম আৰক্ষীয়ে নিৰ্বিঘ্নে চলাই অহা এনকাউণ্টাৰৰ জৰিয়তে একাংশ লোকৰ বাঃ বাঃ লৈছিল মুখ্যমন্ত্ৰীয়ে৷ সেই এনকাউণ্টাৰক সমৰ্থন কৰিছিল ৰাজ্যৰ সৰহসংখ্যক লোকে৷ কিন্তু অসম আৰক্ষীক যেন ভুৱা এনকাউণ্টাৰ কৰিবলৈ লাইচেন্স দিয়া হ’ল৷ ফলত ড্ৰাগছ বিৰোধী অভিযানৰ নামত নিৰীহ লোকক ধৰি জধে-মধে এনকাউণ্টাৰ কৰাত ৰাজ্য চৰকাৰ ব্যাপক সমালোচনাৰ সন্মুখীন হ’ল৷ মানৱ অধিকাৰ সংগঠন সমূহেও ঘটনাৰ ন্যায়িক তদন্ত দাবী কৰিলে৷ তেনেদৰে ২০২২ চনৰ ২২ জানুৱাৰীত নগাঁৱৰ কচলুখোৱা তিনিআলিৰ কীৰ্তিকমল বৰাৰ গুলীচালনাৰ ঘটনাৰ ৰাজ্য চৰকাৰে তদন্ত ঘোষণা কৰে৷ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰৰ নেতৃত্বত এজনীয়া তদন্ত সমিতি ঘোষণা হয়৷ তদন্তৰ প্ৰতিবেদন ৮ ফেব্ৰুৱাৰীত প্ৰকাশ পায়। প্ৰতিবেদনত এনকাউণ্টাৰটোক ভুৱা আখ্যা দিয়াৰ লগতে আনন্দ মিশ্ৰৰ এণ্টি নাৰ্ক’টিৰ্ক স্কোৱাড ভংগ কৰাৰ পৰামৰ্শ দিয়া হয়৷ স্কোৱাডৰ সকলো সদস্যক আন জিলালৈ বদলিৰ নিৰ্দেশ দিয়া হয়। উপ-পৰিদৰ্শ প্ৰদীপ বনিয়াক নিলম্বন কৰা হয়। প্ৰতিবেদন প্ৰকাশৰ পাছতে আনন্দ মিশ্ৰই তদন্ত সমিতিক প্ৰত্যাহ্বান জনাই বাৰে বাৰে সংবাদমাধ্যমত মন্তব্য প্ৰদান কৰিছিল৷ সংবাদমেল পাতি অতিৰিক্ত মুখ্য সচিবৰ প্ৰতিবেদনৰ বিপৰীত স্থিতি গ্ৰহণ কৰি কীৰ্তিকমল বৰাৰ বিৰুদ্ধে কেইবাটাও বিস্ফোৰক মন্তব্য কৰিছিল। তাৰ পাছতে নগাঁৱৰ পৰা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ বদলি কৰে আনন্দ মিশ্ৰক৷ অসম আৰক্ষীৰ ক্ৰীড়া বিভাগৰ দায়িত্ব দিয়া হয়৷ কিন্তু কিছুদিন পাছতে লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হয়৷ লখিমপুৰত যোহগদান কৰিয়েই জালনোট আৰু নকল সোণৰ ব্যৱসায়ৰ বিৰুদ্ধে একচন মুদত অহা দেখা যায়৷ নিতৌ ২০-৩০ জন জালনোট আৰু নকল সোণৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ ধৰে৷ ইমানে নহয় জালনোট আৰু নকল সোণৰ ব্যৱসায়ীয়ে খোদ আৰক্ষী থানালৈ আহি আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়৷ সেই সময়ত আনন্দ মিশ্ৰ পুনৰ সামাজিক মাধ্যমত নায়কত পৰিণত হয়৷ সংবাদমাধ্যমসমূহে আনন্দ মিশ্ৰক ব্যাপক চৰ্চাত ৰাখে৷ সেই কাণ্ডক সহজে লোৱা নাছিল মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই৷ এগৰাকী আইপিএছে ৰাজনৈতিক দলৰ নেতাৰ দৰে ব্যৱহাৰ কৰি নিজৰ কামৰ প্ৰচাৰ নিজেই কৰি গৈছিল৷ সেই সময়ত মুখ্যমন্ত্ৰীয়ে আনন্দ মিশ্ৰ বিশেষ পৰামৰ্শ দি কৈছিল ‘‘সামাজিক মাধ্যমৰ প্ৰীতি এৰি আদৰ্শ আৰক্ষী হিচাপে আত্মনিয়োগ কৰক৷ অভিযুক্তক অপৰাধী সজাব পৰাকৈ চাৰ্জশ্বিট তৈয়াৰ কৰক৷’ তেতিয়াৰ পৰাই খং, ক্ষোভৰ মাজেৰে দায়িত্ব পালন কৰি থকা আনন্দ মিশ্ৰই অৱশেষত চাকৰিৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰে৷ উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাত মণিপুৰ কাণ্ডৰ তদন্তৰ বাবে গঠন হোৱা এছ.আই.টিৰো দায়িত্ব লাভ কৰিছিল আনন্দ মিশ্ৰই। কিন্তু সকলো সামৰি ২০১১ চনৰ অসম-মেঘালয় কেডাৰৰ আইপিএছ আনন্দ মিশ্ৰই ভাৰতীয় আৰক্ষী সেৱাৰ পৰা চৰ্তহীন পদত্যাগৰ কথা উল্লেখ কৰিছে৷ স্বাধীন জীৱন কটোৱাৰ লগতে স্বাধীনভাৱে বিভিন্ন সামাজিক কাম-কাজ কৰি যোৱাৰ আগ্ৰহেৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। চাকৰি জীৱনত অৰ্জন কৰা সকলো আৰ্থিক প্ৰাপ্যৰ কাম-কাজো শীঘ্ৰে সমাপন কৰিবলৈও আহ্বান জনাইছে। ধুবুৰীৰ পৰা নগাওঁ জিলাৰ আৰক্ষী অধীক্ষক হিচাপে বদলি হৈ অহাৰ পাছতে নগাওঁ জিলাত অপৰাধ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আনন্দ মিশ্ৰই লোৱা ভূমিকাই চৰ্চা লাভ কৰিছিল যদিও কীৰ্তিকমল কাণ্ডই যেন তাত চেঁচাপানীহে ঢালিছিল। সেই ঘটনাৰ পৰা নিজৰ কাম কৰা শৈলীৰো পৰিৱৰ্তন ঘটাবলৈ বাধ্য হৈ পৰিছিল আনন্দ মিশ্ৰ।



নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত এক অনুষ্ঠানত এগৰাকী নেপালী যুৱতীৰ বাঁহী বাদন




# উজনিৰ পিছত এইবাৰ নামনিত শক্তি প্ৰদৰ্শন বিৰোধীৰ

## চাপৰৰ বৈঠকত দেখা গ'ল অখিল গগৈকো

**ধুবুৰীৰ পৰা ষ্টাফ ৰিপ'ৰ্টাৰঃ** নামনি অসমৰ ধুবুৰী জিলাৰ ঐতিহাসিক চাপৰত আজি অসমৰ বিৰোধী দলসমূহৰ মিত্ৰজোঁট বিৰোধী ঐক্য মঞ্চৰ আন এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আটাইকেইটা দলৰ শীৰ্ষ নেতাসকল উপস্থিত থাকি নামনি অসমত শক্তি প্ৰদৰ্শন কৰে। বিৰোধী ঐক্য মঞ্চ, অসম তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাৰ আঁত ধৰে বিৰোধী ঐক্য মঞ্চ, অসমৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে। প্ৰতিনিধি সভাত আসন ভাগ-বাটোৱাৰা, প্ৰচাৰৰ কৌশল, নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ৰাইজৰ মাজলৈ নিবলগীয়া মুখ্য বিষয় আদি আলোচনা কৰা বুলি জানিব পৰা গৈছে। এই প্ৰতিনিধি সভাত তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শূদ্ৰসকলক হেয় প্ৰতিপন্ন কৰি যি বৰ্ণ বিদ্বেষী মন্তব্যক দিছে সেই মন্তব্যক তীব্ৰ গৰিহণা দিয়ে। এই মন্তব্যই বিভিন্ন জাতি, জনগোষ্ঠীৰ মাজত থকা ঐক্য, সম্প্ৰীতি নষ্ট হ'ব বুলি মতপোষণ কৰি এনে মন্তব্যৰ বিৰুদ্ধে সকলো ৰাইজক মাত মাতিবলৈ আহ্বান জনাই লগতে ব্ৰাহ্মণ্যবাদৰ বিৰুদ্ধে সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনাইছে। দ্বিতীয়তে আলোচনাপন্থী আলফাৰ সৈতে যি আলোচনা হ'ব সেয়া ফলপ্ৰসূ হওক তাৰেই কামনা কৰে বিৰোধী দলসমূহে। একে সময়তে আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাৰ সৈতেও আলোচনা কৰি সমস্যা শান্তিৰে সমাধান কৰিবলৈ আহ্বান জনায়। তৃতীয়তে সাধাৰণ লোকক আৰক্ষীয়ে ধৰি আনি গুলীয়াই এনকাউণ্টাৰ কৰাৰ যি নাটক ৰচনা কৰিছে তাক গৰিহণা দি এনেধৰণৰ মুক্তহত্যা বন্ধ কৰিবলৈ দাবী উত্থাপন কৰে। বিৰোধী দলসমূহৰ আজিৰ প্ৰতিনিধি সভাই এনকাউণ্টাৰ কাণ্ডৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰে। এই বৈঠকৰ অন্তত অনুষ্ঠিত এখন বিশাল ৰাজহুৱা সভাত বিৰোধী দলসমূহৰ প্ৰায় ১০ হাজাৰ নেতা-কৰ্মী একত্ৰিত হৈ বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে একত্ৰিত হৈ যুঁজ দিয়াৰ হুংকাৰ প্ৰদান কৰে। বিৰোধী অসম ঐক্যমঞ্চ অসমৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে এই সভাত অংশ লৈ তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। বিজেপি দল যদি পুনৰ চৰকাৰলৈ আহে তেন্তে অসমৰ মানুহৰ বাক স্বাধীনতা, মানুহৰ জীয়াই থকাৰ অধিকাৰ নোহোৱা হৈ পৰাৰ আংশকা আহি পৰিব। এই সময়ত দল-মত নিৰ্বিশেষে সকলোকে একত্ৰিত হোৱাৰ আহ্বান জনায় লুৰিণজ্যোতি গগৈয়ে। লুৰীণজ্যোতি গগৈয়ে বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে বিৰোধী ঐক্য মঞ্চ থানবান কৰিব খোজাৰ অভিযোগ উত্থাপন কৰি বিভিন্ন নেতাক ভয়-ভাবুকি, ধমক তথা কূটা-কৌশল আৰম্ভ কৰা বুলি কয়। বিৰোধী ঐক্য মঞ্চৰ সভা অনুষ্ঠিত হ'লেই চৰকাৰে বিফল কৰিবলৈ চেষ্টা কৰে। চাপৰত অনুষ্ঠিত আজিৰ সভাখনো বিফল কৰিবলৈ অপচেষ্টা কৰি যি ঠাইত সভা অনুষ্ঠিত কৰাৰ অনুমতি প্ৰদান কৰিছিল সেই ঠাইৰ অনুমতি বাতিল কৰা বুলি ক্ষোভ জাহিৰ কৰে লুৰীণজ্যোতি গগৈয়ে। এই সভাত অংশ লৈ অখিল গগৈয়ে চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। সামগ্ৰীৰ দাম বৃদ্ধি কৰি চৰকাৰখনে ৰাইজক আক্ৰমণ কৰি অহা বুলি কয় অখিল গগৈয়ে। জনবিৰোধী এইখন চৰকাৰে চৌদিশে নাগৰিকক মাধমাৰ শোধাই ভোট কিনিবলৈ প্ৰয়াস কৰাৰ যি নিকৃষ্ট ষড়যন্ত্ৰ কৰিছে তাৰ বিৰুদ্ধে সৰ্বসাধাৰণক মাৰবান্ধি থিয় দিবলৈ কাতৰ আহ্বান জনাই অখিল গগৈয়ে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইনে উদাত্ত কণ্ঠে কয় যে অসমৰ ৰাইজক সকলো প্ৰকাৰৰ পৰা বঞ্চিত কৰা হৈছে। ২৪ত দিল্লীত যদি নৰেন্দ্ৰ মোদীৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন হয়, তেন্তে দেশত গণতন্ত্ৰ বুলি একো নাথাকিব আৰু গণতন্ত্ৰৰ সংজ্ঞাই সলনি হৈ পৰিব বুলি আশংকা ব্যক্ত কৰে হুছেইনে। সভাত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, চিপিআইএম দলৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ, চিপিআই দলৰ নেতা ৰাতুল বৰা, এনচিপিৰ নেতা পৰেশ বৰুৱা, অল পাৰ্টি হিলছ লীডাৰ্ছ কনফাৰেন্সৰ নেতা জন ইংতি কাথাৰসহ আটাইকেইটা দলৰ শীৰ্ষ নেতাসকল উপস্থিত থাকে। নিশাৰ ভাগলৈ বিৰোধী দলসমূহৰ শীৰ্ষ নেতাৰ উপস্থিতিত আন এখন বৈঠকত অনুষ্ঠিত হ'ব। এই বৈঠকত আসন ভাগ-বটোৱাৰা সন্দৰ্ভত বিশদ আলোচনা হ'ব বুলি বিৰোধী ঐক্য মঞ্চ, অসমৰ সমন্বয়ক বেদব্ৰত বৰাই জানিবলৈ দিয়ে। ইপিনে বিৰোধী দলৰ বৈঠকক লৈ আজি চাপৰত উখল-মাখল পৰিবেশ দেখা যায়। বিৰোধী নেতাসকলক প্ৰতিনিধি সভাৰ পৰা মুকলি সভালৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক গোটে নাচ-গান কৰি আদৰি নিয়ে। এই বৈঠকৰ ফলত আটাইকেইটা দলৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মী একপ্ৰকাৰ উৎসাহিত হৈ পৰা দেখা গৈছে। উল্লেখ্য যে পূৰ্বৰ বৈঠককেইখনত অখিল গগৈ উপস্থিত নথকাক লৈ শাসকীয় বিজেপিয়ে কটাক্ষ কৰি আহিছিল। এনে পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনলৈ দিন চমু চপাৰ প্ৰাকক্ষণত আজিৰ এই বৈঠকখনত অখিল গগৈৰ উপস্থিতি যথেষ্ট তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

ৰাষ্ট্ৰীয়, ৰাজ্যিক

# আপ শাসিত পঞ্জাৱত অসমৰ বিজেপি নেতা উপেন নাথক আক্ৰমণ

**গুৱাহাটী, ২৬ ডিচেম্বৰঃ** অসমৰ এগৰাকী বিজেপি নেতাক আম আদমী পাৰ্টী শাসিত ৰাজ্যত আক্ৰমণৰ অভিযোগ উত্থাপন হোৱাত অসমত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। পঞ্জাৱ ভ্ৰমণলৈ যোৱা অসমৰ বিজেপি নেতা উপেন নাথক সন্দেহজনক খালিস্তানী উগ্ৰপন্থীয়ে আক্ৰমণ কৰা বুলি সন্দেহ কৰা হৈছে। জানিব পৰা মতে, অসমৰ বিজেপি নেতা উপেন নাথ পৰিয়ালক লৈ পঞ্জাৱত ঘূৰিবলৈ গৈছিল। নেতাজনে মোহালীৰ ডেৰাবাচীৰ এখন হোটেলত আছিল। হোটেলৰ পৰা এখন খাদ্যৰ বিপনীলৈ খাদ্য আনিবলৈ যোৱাৰ সময়তে অসমৰ লোক বুলি অৱগত হোৱাত সন্দেহযুক্ত খালিস্তানী উগ্ৰপন্থীয়ে আক্ৰমণ কৰিছিল বুলি অভিযোগ উত্থাপন কৰিছে নাথে। ডেৰাবাচীত চিকিৎসা কৰাৰ অন্তত বিজেপি নেতা নাথ বৰ্তমান সুস্থ। মূৰত তৰোৱালেৰে আক্ৰমণ কৰাৰ লগতে শৰীৰৰ বিভিন্ন অংশত আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰি স্থানীয় আৰক্ষীক এজাহাৰ দাখিল কৰিছে উপেন নাথে।

ৰাজনৈতিক সংবাদ

# মমতা দিদিক লাগিব অসমৰ ৪ আসন

**ই-সংবাদ সেৱা, ধুবুৰী, ২৭ ডিচেম্বৰঃ** আজি ধুবুৰী জিলাৰ ঐতিহাসিক চাপৰত অসমৰ ইণ্ডিয়া মিত্ৰজোঁটৰ বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত অংশ লৈ মমতা বেনাৰ্জীৰ দল টিএমচিৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি ৰিপুণ বৰাই বিশেষ দাবী কৰিছে। অসম তৃণমূল কংগ্ৰেছৰ সভাপতি অসম ৰিপুণ বৰাই ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা কমেও চাৰিখন লোকসভা আসন বিচাৰিছে বুলি স্পষ্ট কৰে। আজি চাপৰত সংবাদ মাধ্যমৰ সৈতে মুখামুখি হৈ বৰাই কয় যে আসন ভাগ-বতৰা আলোচনা চলি আছে। আলোচনা অন্তিম পৰ্যায়ত। অৱশ্যে, আসন ভাগ-বতৰাৰ চূড়ান্ত সিদ্ধান্ত ইণ্ডিয়া মিত্ৰজোঁটৰ ৰাষ্ট্ৰীয় নেতাসকলে ল'ব আৰু ৰাজ্যিক পৰ্যায়ত পৰিকাঠামোটো সম্পূৰ্ণ কৰা হৈছে। আসন ভাগ-বতৰাৰ সন্দৰ্ভত টিএমচিৰ অসমৰ শীৰ্ষ নেতাজনে দৃঢ়তাৰে কয় যে প্ৰতিটো দলে আসন বিচাৰিছে। টিএমচিয়ে চাৰিখন আসন বিচাৰিছে। চিপিআইএমে এখন আসন বিচাৰিছে। এজেপিয়ে পুনৰ এখন আসন বিচাৰিছে। কিন্তু যেতিয়া দিল্লীৰ কেন্দ্ৰীয় সমিতিয়ে চূড়ান্ত সিদ্ধান্ত ল'ব আমি সকলোৱে সন্মত হ'ব লাগিব। উল্লেখ্য যে, টিএমচিয়ে লখিমপুৰ, কোকৰাঝাৰ আৰু কৰিমগঞ্জ লোকসভা আসন বিচাৰিছে বুলি জানিব পৰা গৈছে।

বিশেষ খবৰ

# আলফা নেতাৰ ঘৰলৈ আৰক্ষীৰ গুলীচালনা!

**ই-সংবাদ সেৱা, গুৱাহাটী, ২৬ ডিচেম্বৰঃ** দিল্লীত আলফাৰ আলোচনাপন্থী গোট আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত আলোচনাৰ বাবে প্ৰস্তুতি চলাই থকাৰ সময়তে এগৰাকী আলফা নেতাৰ ঘৰত গুলীবৰ্ষণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি হৈছে। তিনিচুকীয়া জিলাৰ শদিয়াত আলফা স্বাধীনৰ কেডাৰৰ ঘৰলৈ লক্ষ্য কৰি গুলীচালনা কৰাৰ অভিযোগ উঠিছে। আৰক্ষীয়ে গুলীচালনা সংঘটিত কৰা বুলি অভিযোগ উত্থাপন কৰিছে আলফা স্বাধীনৰ জ্যেষ্ঠ কেডাৰ আইচেং অসমে। আলফা স্বাধীনৰ জ্যেষ্ঠ কেডাৰ আইচেং অসমৰ পৰিয়ালে দাবী কৰা মতে, শদিয়া আৰক্ষীৰ এটা দলে বাসগৃহলৈ আহি গুলীচালনা কৰি গাড়ী চুচুৰ্মৈ কৰে। আলফা কেডাৰ আইচেং অসমক এইদৰে আৰক্ষীয়ে গুলীচালনা সংঘটিত কৰি আতংকৰ পৰিৱেশ বিৰাজ কৰাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালে। অৱশ্যে স্থানীয় আৰক্ষীয়ে এই অভিযোগ অস্বীকাৰ কৰিছে। এই ঘটনাই আতংকৰ সৃষ্টি হোৱাৰ লগতে ঘটনাৰ উচিত তদন্তৰ দাবী উত্থাপন কৰিছে বিভিন্ন জনে। ঘটনাৰ ফলত আলফা-চৰকাৰৰ আলোচনাত প্ৰভাৱ পৰিব বুলি কয় একাংশ লোকে।



# অত্যাধিক ড্ৰাগছ সেৱনৰ ফলত অস্কাৰ বিজয়ী অভিনেতাৰ মৃত্যু

**ছিউল, ২৭ ডিচেম্বৰঃ বিশ্বব্যাপী খ্যাতি অৰ্জন কৰা কোৰিয়ান অভিনেতা লী চান-কিউনৰ আকস্মিক মৃত্যুৰ খবৰে অগণন গুণমুগ্ধক শোকাহত কৰিছে। মাথো ৪৮ বছৰ বয়সতে ইহলীলা সম্বৰণ কৰা লী চান-কিউনৰ মৃত্যুত বিশ্বৰ বিভিন্ন অভিনেতা-অভিনেত্ৰী তথা সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িত লোকে শোক প্ৰকাশ কৰিছে। বিভিন্ন জনে লী চান-কিউনৰ মৃত্যু অভিনয় জগতৰ বাবে ব্যাপক ক্ষতি বুলি কয়। 'Parasite' ছবিৰ বাবে অস্কাৰ বঁটা লাভ কৰিছিল দক্ষিণ কোৰিয়াৰ অভিনেতা লী চান-কিউনে। ২৭ ডিচেম্বৰত দেশখনৰ চেণ্ট্ৰেল চিউল উদ্যানত এখন গাড়ীত মৃতদেহ উদ্ধাৰ হয়। জানিব পৰা মতে, এই সপ্তাহটোত ড্ৰাগছৰ গোচৰত লীক আৰক্ষীয়ে তিনিবাৰ সোধা-পোছা কৰিছিল। অভিনেতাজনে অভিযোগ কৰি কৈছিল যে এগৰাকী বাৰ হোষ্টেছে ড্ৰাগছ সেৱন কৰি প্ৰৱঞ্চনা কৰিছিল। ব্লেকমেইল কৰিবলৈ চেষ্টা কৰিছিল। অত্যাধিক ড্ৰাগৰ সেৱন কৰাৰ ফলত শ্বাস-প্ৰশ্বাসত কষ্ট পোৱাৰ ফলতে মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। ঘটনাক কোৰিয়ান চৰকাৰে গুৰুত্বসহকাৰে লৈ তদন্ত ঘোষণা কৰিছে। দক্ষিণ কোৰিয়াত ড্ৰাগছ আইন অতি কঠোৰ। ড্ৰাগছৰ গোচৰত অপৰাধী আৰু ব্যৱসায়ীসকলক কমেও ৬ মাহৰ পৰা ১৪ বছৰলৈকে শাস্তি প্ৰদান কৰা হয়। আৰক্ষীয়ে গাড়ীৰ পৰা এটা টোকা উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে। চিউল নেচনেল ইউনিভাৰ্চিটি হাস্পতালত লীৰ মৃতদেহ ৰখা হৈছে। পৰিয়ালে মৰণোত্তৰ পৰীক্ষা কৰিবলৈ অস্বীকাৰ কৰি শুকুৰবাৰে মৃতদেহ সমাধিস্থ কৰা হ'ব বুলি উল্লেখ কৰিছে।**



ফটোঃ বড়ো সাহিত্য সভাৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন, বুধবাৰে বকোৰ গান্ধী মৈদানত

# ব্ৰাহ্মণ-শূদ্ৰ মন্তব্যক লৈ মুখ্যমন্ত্ৰীক সমালোচনা অখিলৰ

## বিজেপিৰ সমৰ্থক 'শূদ্ৰসকল'ৰ কি হ'ব বুলি প্ৰশ্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰীমদ্ভগৱদগীতাৰ শ্লোক সন্নিৱিষ্ট কৰি দিয়া সামাজিক মাধ্যমত দিয়া পোষ্টটোক উভতি ধৰিছে ৰাইজৰ দলৰ নেতা তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে৷ অখিল গগৈয়ে ফেচবুকত এটা পোষ্ট দিনিজৰ জাতৰ লোকক সুবিধা দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অখিল গগৈয়ে৷ মুখ্যমন্ত্ৰীয়ে বামুণক পৃষ্ঠপোষকতা কৰাৰ লগতে চাকৰি, পদোন্নতি, ভাল স্থানত স্থাপন, ঠিকা-ঠুকলি আদিত নিজৰ জাতক সুযোগ-সুবিধা দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অখিল গগৈয়ে৷ অখিল গগৈয়ে কয় মুখ্যমন্ত্ৰীয়ে ফেচবুক আৰু টুইটাৰ যোগে প্ৰাচীন বৰ্ণ ব্যৱস্থা প্ৰচাৰ কৰিছে। কৈছে, ভগৱান শ্ৰীকৃষ্ণই নিজ মুখে কৈছে যে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ শুশ্ৰূষা কৰাটোৱে শূদ্ৰৰ স্বাভাৱিক কৰ্ম। মুঠতে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ব্ৰাহ্মণ্যবাদৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা কৰিছে। ইয়ে আমাক দেখুৱাই দিছে বিজেপি-আৰএছএছৰ 'হিন্দুৰাষ্ট্ৰ'ৰ আচল চৰিত্ৰ। এতিয়া কথা হ'ল- হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ মন্ত্ৰীসকল পীযুষ, ৰণোজ, বিমল, যোগেন আদিসকলে এতিয়া কি কৰিব? সঁচাকৈ সেৱাই কৰি থাকিব? ক্ষমতা-টকাৰ লোভত 'ব্ৰাহ্মণ'ৰ সেৱাত স্বজ্ঞানে আত্মোৎসৰ্গ কৰি থাকিব নেকি বুলি বিধায়ক অখিল গগৈয়ে প্ৰশ্ন কৰে?

অখিলে আৰু কয় ''মানি ল'লো, ক্ষমতাৰ লোভত মন্ত্ৰীসকলে বাৰু 'ব্ৰাহ্ম'ৰ সেৱাত নিয়োজিত থাকিব। কিন্তু বিজেপিৰ সমৰ্থক 'শূদ্ৰসকল'ৰ কি হ'ব? ইয়াৰ পাছতো আত্মসন্মানত নালাগিব নে? নে 'হিন্দুত্ব'ৰ নিচাই সকলোকে মাতাল কৰিলে? বামুণৰ সেৱা কৰিবলৈ তেওঁলোক বদ্ধপৰিকৰ? মান-ইজ্জত সঁচাকৈ নাইকিয়া হ'ল নেকি মানুহৰ? চুৰা চেলেকাই একাংশৰ স্বভাৱত পৰিণত হৈছে নেকি? হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, আপোনাৰ মুখাখন বৰ বেয়াকৈ উদং খাই পৰিল! আপুনি কেৱল হিন্দু- মুছলমানৰ ৰাজনীতিয়ে নকৰে, আপুনি বামুণ-শূদিৰ বৰ্ণবাদও কৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়া, আপুনি সাম্প্ৰদায়িক, আপুনি বৰ্ণবাদী। কিন্তু আপোনাৰ বৰ্ণবাদে বামুণক ৰাজ শাসনৰ 'স্বাভাৱিক কৰ্ম' প্ৰদান কৰা নাই। এইটোৰ কি হ'ব? ব্ৰাহ্মণ হৈ আপুনি গাদী খামুচি থাকিবনে? আপোনাৰ আদৰ্শৰ তেনে কি হ'ব? মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিভিন্নজনে কৈ থাকে আপুনি বামুণক পৃষ্ঠপোষকতা কৰে- চাকৰি, পদোন্নতি, ভাল স্থানত স্থাপন, ঠিকা-ঠুকলি আদিত নিজৰ জাতক আপুনি সুযোগ-সুবিধা দিয়ে। এতিয়াতো আপোনাৰ চৰিত্ৰ ওলাই পৰাৰ পাছত বিশ্বাস নকৰি নোৱাৰি৷ এতিয়া কি ক'ব, মুখ্যমন্ত্ৰী ডাঙৰীয়া? ক্যা হোগা পীযুষ? ইজ্জত কা চৱাল, ভাই! বিমল, আনক দেখুৱাই হ'লেও লাজ অকণ কৰিবিনে?

প্ৰথম পৃষ্ঠাৰ পৰা...

## নেগুৰ পেলালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই!

গুণগ্ৰাহীয়ে গদগদ হৈ সমৰ্থন কৰি অহা সময়তে ২৬ ডিচেম্বৰৰ পোষ্টটোৰে কেনা লগায়৷ পূৰ্বৰ পোষ্টসমূহৰ দৰে মুখ্যমন্ত্ৰীৰ এই পোষ্টটোত সমৰ্থক, গুণগ্ৰাহীয়ে 'জয় শ্ৰী ৰাম' লিখি সমৰ্থন কৰা দেখা নগ'ল৷ কিয়নো এই পোষ্টত শূদ্ৰসকলক হেয় প্ৰতিপন্ন কৰি মুখ্যমন্ত্ৰীয়ে বৰ্ণবাদ, ঘৃণাৰ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন হয়৷ একাংশ লোকে সামাজিক মাধ্যম যোগে মুখ্যমন্ত্ৰীক কঠোৰ ভাষাৰে সমালোচনা কৰে৷ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যৰ শুশ্ৰূষা কৰাটো শূদ্ৰৰ স্বাভাৱিক কৰ্ম বুলি কৈ মুখ্যমন্ত্ৰীয়ে অনুসূচিত জাতি-জনজাতি তুচ্ছজ্ঞান কৰাৰ অভিযোগ উত্থাপন কৰে৷ বিষয়টোৱে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত মুখ্যমন্ত্ৰীয়ে ২৬ ডিচেম্বৰৰ নিশাই উক্ত পোষ্টটো এক্স আৰু ফেচবুকৰ পৰা ডিলিট কৰে৷ ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্ৰাহ্মণ্যবাদ তথা বৰ্ণবাদৰ ৰাজনীতি কৰাৰ অভিযোগ আনে অসম ৰাজ্যিক চিপিআইএমে৷ আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে ফেচবুকৰ পেজ আৰু এক্সত শ্বেয়াৰ কৰা ভিডিঅ'টোক লৈ ক্ষুন্ন হয় বামপন্থী দল চিপিআইএম৷ ধৰ্মগ্ৰন্থ 'গীতা'ৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে শ্বেয়াৰ কৰা ভিডিঅ'টোত ব্ৰাহ্মণ্যবাদ তথা বৰ্ণবাদৰ পোষকতা কৰাত তীব্ৰ নিন্দা কৰে চিপিআইএমে৷

সাম্প্ৰতিক

# কৰ্ণাটকত নচলিব হিন্দী, চলিব কেৱল কানাড়া ভাষা!

## বাংগালুৰু চহৰত আকৌ আৰম্ভ ভাষা বিতৰ্ক

**বাংগালুৰু, ২৭ ডিচেম্বৰঃ** কৰ্ণাটকত বৃদ্ধি পাইছে ভাষা বিতৰ্ক। বাংগালুৰু পৌৰ নিগমে দোকানৰ চাইনব'ৰ্ডত ৬০ শতাংশ কানাড়া ভাষা ব্যৱহাৰ কৰিবলৈ দিয়া নিৰ্দেশনাৰ পিছতে কেম্পেগৌড়া আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত হিংসাত্মক প্ৰতিবাদ সাব্যস্ত কৰে কানাড়া সমৰ্থক গোটসমূহে। এখন হোটেলৰ বাহিৰত সাব্যস্ত হোৱা প্ৰতিবাদৰ এক ভাইৰেল ভিডিঅ'ত দেখা পোৱা অনুসৰি একাংশ পুৰুষ-মহিলাই হালধীয়া আৰু ৰঙা স্কাৰ্ফ (কানাড়া পতাকাৰ ৰং) পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে হোটেলৰ ইংৰাজী ভাষাৰ চাইনব'ৰ্ড ভাঙি পেলোৱা পৰিলক্ষিত হয়। ইফালে আন এটা ভিডিঅ'ত এজন প্ৰতিবাদকাৰীয়ে চেলুন আৰু স্পাৰ ইংৰাজী চাইনব'ৰ্ড ভাঙি পেলোৱা দেখা যায়। আনহাতে ৰঙা আৰু হালধীয়া ৰঙৰ স্কাৰ্ফ পিন্ধা একাংশ লোক এয়াৰটেলৰ ষ্ট'ৰৰ বাহিৰত ৰঙা আৰু হালধীয়া পতাকা উৰুৱাই প্ৰতিবাদ সাব্যস্ত কৰে। একে সময়তে এজন ব্যক্তিয়ে ইংৰাজীত থকা চাইন ব'ৰ্ডখনত ক'লা ৰং সানি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে মহানগৰৰ নাগৰিক সংস্থাৰ নিৰ্দেশ শীঘ্ৰে কাৰ্যকৰী কৰি প্ৰতিষ্ঠানৰ চাইনব'ৰ্ডত ৬০ শতাংশ কানাড়া ভাষা ব্যৱহাৰ কৰাৰ দাবী জনায়। উল্লেখ্য যে, কৰ্ণাটক ৰক্ষণ বেদিকৰ সৈতে হোৱা এক বৈঠকৰ পিছতে এই আদেশ প্ৰদান কৰে পৌৰ নিগমে। ইফালে এই নিৰ্দেশৰ পিছতে ৰাজ্যখনত তীব্ৰতৰ হৈ পৰিছে ভাষা বিবাদ। বিবিএমপিৰ মুৰব্বী তুষাৰ গিৰি নাথে কয় যে নাগৰিক সংস্থাটোৰ অধীনস্থ বাণিজ্যিক দোকানসমূহে ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত এই নিৰ্দেশ মানি চলিব লাগিব, অন্যথা তেওঁলোকৰ দোকানৰ অনুজ্ঞাপত্ৰ স্থগিত ৰখাকে ধৰি আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰণিধানযোগ্য যে অক্টোবৰ মাহত মুখ্যমন্ত্ৰী ছিদাৰামায়াই কৈছিল- "কৰ্ণাটকত বসবাস কৰা প্ৰতিজন ব্যক্তিয়ে কানাড়া ক'বলৈ শিকিব লাগে, আমি সকলোৰে কানাড়া। বিভিন্ন ভাষা কোৱা মানুহ ইয়াত বসতি স্থাপন কৰিছে। কিন্তু এই ৰাজ্যত বসবাস কৰা সকলো লোকে কানাড়া শিকাটো প্ৰয়োজনীয়।" মন কৰিবলগীয়া যে, মুখ্যমন্ত্ৰী হিচাপে প্ৰথমটো কাৰ্যকালৰ সময়তো সিদ্ধাৰামাইয়াই স্থানীয় ভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মুখ্যমন্ত্ৰী ছিদাৰামায়াৰ পূৰ্বৰ কাৰ্যকালত বাংগালুৰু মেট্ৰ' ষ্টেচনৰ হিন্দী নাম সমূহৰ ঠাইত স্থানীয় তথা ৰাজ্যিক ভাষা ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

স্থানীয় সংবাদ

# আকৌ ১০ হাজাৰ চাকৰিৰ বিজ্ঞাপন প্ৰকাশ

**গুৱাহাটী, ২৬ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰে পুনৰ খালী পদ পূৰণ কৰিব। আজি চৰকাৰে ১০ হাজাৰ পদ পূৰণৰ বাবে কেইবাটাও বিভাগৰ বিজ্ঞাপন প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীৰ ১ লাখ নিযুক্তি লক্ষ্য পূৰণ আৰু ৰাজ্যখনৰ নিবনুৱাক চাকৰিৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে খালী পদসমূহ পূৰণ কৰাৰ বাবে এই পদক্ষেপ লৈছে চৰকাৰে। প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ ১০ হাজাৰৰো অধিক পদৰ বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। আজি পুৱাই মুখ্যমন্ত্ৰীয়ে ফেচবুকযোগে নিযুক্তিৰ বিজ্ঞাপন শ্বেয়াৰ কৰিছে। তেওঁ কয় "আমাৰ চৰকাৰে আজি পুনৰ ১০ হাজাৰতকৈ অধিক বিভিন্ন খালী পদৰ নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। কেৱল প্ৰতিশ্ৰুতি প্ৰদান কৰাত সীমাবদ্ধ নহৈ আমি আমাৰ নিৰ্ধাৰিত প্ৰতিশ্ৰুতি পূৰণৰ সীমা অতিক্ৰম কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছোঁ। অসমৰ ইতিহাসত স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াৰে ১ লাখতকৈও অধিক চৰকাৰী নিযুক্তি প্ৰদানৰ এই অনন্য সফলতা যাতে আমি অৰ্জন কৰিব পাৰোঁ তাৰ বাবে জনতাৰ আশিস বিচাৰিছো।" শিক্ষা মন্ত্ৰী ৰানোজ পেগুৱে কয় যে মাধ্যমিক শিক্ষা সঞ্চালকালয়ে বিভিন্ন প্ৰাদেশিক মাধ্যমিক বিদ্যালয়ৰ ১৪২৪ জন স্নাতকোত্তৰ শিক্ষক আৰু ৭২৪৯ (১) স্নাতক শিক্ষক (কলা), (২) স্নাতক শিক্ষক (বিজ্ঞান), (৩) স্নাতক শিক্ষক (হিন্দী) আৰু (৪) স্নাতক শিক্ষকৰ (সংস্কৃত) নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে।

বিশেষ খবৰ

# দীপাংকৰ গগৈৰ আত্মহত্যা কাণ্ডৰ তদন্ত ঘোষণা মুখ্যমন্ত্ৰীৰ



**ই-সংবাদ সেৱা, যোৰহাট, ২৭ ডিচেম্বৰঃ** যোৰহাট জিলাৰ তিতাবৰৰ দীপাংকৰ গগৈৰ আত্মহত্যা কাণ্ডৰ তদন্ত ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। আৰক্ষীয়ে জিম্মাত লৈ বৰ্বৰভাবে প্ৰহাৰ কৰাৰ ফলত আত্মহত্যা কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত অতিৰিক্ত মুখ্য সচিব পৰ্যায়ৰ তদন্ত আৰম্ভ হ'ব বুলি ঘোষণা কৰিবলৈ বাধ্য হয় মুখ্যমন্ত্ৰী ড০ শৰ্মাই৷ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত দিয়া এটা পোষ্টত তদন্ত ৩০ দিনৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে৷ ২৬ ডচেম্বৰত যুৱকজনে আত্মহত্যা কৰাৰ পাছতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে আত্মহত্যা কাণ্ডৰ তদন্তৰ নিৰ্দেশ দিছিল। ছ'চিয়েল মিডিয়া যোগে জি.পি সিঙে কয় যে যোৰহাট জিলাৰ তিতাবৰৰ দীপাংকৰ গগৈৰ মৃত্যুৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে, ১৪ ডিচেম্বৰত যোৰহাট জিলাৰ লিচুবাৰীৰ সেনাৰ ঘাটিৰ বাহিৰত সংঘটিত বোমা বিস্ফোৰণৰ পাছতে গ্ৰেপ্তাৰ কৰা হৈছিল তিতাবৰৰ বিৰিণাশায়েক গাৰিকুৰি গাঁৱৰ দীপাংকৰ গগৈক৷ দীপাংকৰক গ্ৰেনেড বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত আৰু আলফা স্বাধীনৰ লিংকমেন হোৱাৰ সন্দেহত আটক কৰি আৰক্ষীৰ জিম্মাত লৈ সোধা-পোছা কৰা হৈছিল। কিন্তু জিম্মাকালত আৰক্ষীয়ে বৰ্বৰভাবে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হয়৷ শেষত আৰক্ষীৰ অত্যাচাৰ সহিব নোৱাৰি চৰম পদক্ষেপ গ্ৰহণ কৰা বুলি অভিযোগ আনিছিল পৰিয়ালে৷

# শেষ পৃষ্ঠা

“নতুন দিল্লীত ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিবলৈ ইতিমধ্যে আলফাৰ আলোচনাপন্থী গোটৰ কেইবাগৰাকী নেতাই নতুন দিল্লী অভিমুখে উৰা মাৰিছে৷”

## ২৯ ডিচেম্বৰত দিল্লীত আলফা আৰু কেন্দ্ৰ চৰকাৰৰ চুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ডিচেম্বৰঃ** প্ৰায় এটা দশক ধৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে কেইবালানি আলোচনাৰ অন্তত আলোচনাপন্থী আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চুক্তি স্বাক্ষৰ হ'বলৈ আগবাঢ়িছে৷ অহা ২৯ ডিচেম্বৰৰ সন্ধিয়া ৫ বজাত  অসম চৰকাৰৰ প্ৰতিনিধিৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ সৈতে শান্তি চুক্তিত স্বাক্ষৰ কৰিব আলফাৰ আলোচনাপন্থী গোটে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ত্ৰিপাক্ষিক চুক্তিৰ স্বাক্ষৰ কৰা হ'ব৷ নতুন দিল্লীত ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিবলৈ ইতিমধ্যে আলফাৰ আলোচনাপন্থী গোটৰ কেইবাগৰাকী নেতাই নতুন দিল্লী অভিমুখে উৰা মাৰিছে৷ আজি আলফাৰ আলোচনাপন্থী গোটৰ সভাপতি আৰবিন্দ ৰাজখোৱাসহ কেইবাজনো নেতাই গুৱাহাটী বিমান বন্দৰৰ পৰা দিল্লী অভিমুখে উৰা মাৰে। প্ৰতিনিধি দলটোত বৈদেশিক সচিব শশধৰ চৌধুৰী, উপ-মুখ্য সেনাধ্যক্ষ ৰাজু বৰুৱা, প্ৰদীপ হাজৰিকাকে ধৰি ১৬গৰাকী সদস্য আছে। এই শান্তি চুক্তিৰ দ্বাৰা অসমত স্থায়ী শান্তিৰ পৰিবেশ গঢ়ি উঠিব বুলি আশা কৰিছে বিভিন্ন দল-সংগঠ তথা অসমৰ সৰ্বসাধাৰণে৷ বিগত ৫টা দশকত অসমত আলফাৰ সংগ্ৰামৰ ফলত অসমৰ মানুহে বহু যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে৷ আলফা বিচৰাৰ নামত সেনা-আৰক্ষীয়ে বহু নিৰীহ বৰ্বৰ অত্যাচাৰৰ বলি হৈছে৷ ১৯৭৯ চনৰ পৰা ৪৪ বছৰ ধৰি সংগ্ৰাম কৰি গৈছে অসমৰ বহু তেজাল যুৱকে৷ অসমীয়া যুৱকে ভাৰত চৰকাৰৰ নীতি আৰু দমনমূলক পন্থাৰ বিৰুদ্ধে হাতত অস্ত্ৰ তুলি লৈছিল৷ সম্পদৰ অধিকাৰ বিচাৰি স্বাধীন অসম দাবী কৰি হাতত অস্ত্ৰ তুলি লৈ স্বজাতিৰ হকে বিদ্ৰোহ কৰিছিল আবেগিক অসমীয়া ডেকাই৷ অসমক ৰক্ষা কৰাৰ নামত হাতত অস্ত্ৰ তুলি লৈ ৰাজনৈতিক, অৰ্থনৈতিক, সমাজিক আৰু সাংস্কৃতিক অধিকাৰ দাবী কৰিছিল৷ আলফাৰ বৰ্তমানেও জংঘলত থকা গোটটোৰ সৈতেও আলোচনা কৰি অসমত স্থায়ী শান্তিৰ পৰিবেশ বাহাল কৰাৰ আহ্বান জনাইছে বিভিন্ন দল-সংগঠনে৷



## লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাহুল গান্ধীৰ মল্লযুঁজ, উপহাৰ পালে মূলা

**চণ্ডীগড়, ২৭ ডিচেম্বৰঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে ৰাহুল গান্ধীক আজি মল্লযুদ্ধ কৰা দেখা গ'ল৷ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে জেহাদ ঘোষণা মল্লযোদ্ধাৰ খবৰ ল'বলৈ গৈ আখৰাত এঘঁড়ী যুঁজিলে ৰাহুল গান্ধীয়ে৷ জোতা, লংপেণ্ট পিন্ধিয়েই বজৰং পুনিয়াৰ আখৰাত প্ৰশিক্ষণৰত মল্লযোদ্ধাৰ সৈতে যুঁজত লিপ্ত হয় কংগ্ৰেছৰ যুৱৰাজ৷ অলিম্পিকৰ ব্ৰঞ্জ পদক বিজয়ী বজৰং পুনিয়া আৰু আন মল্লযোদ্ধাসকলক সাক্ষাৎ কৰিবলৈ আজি হাৰিয়ানাৰ ঝাজ্জৰত উপস্থিত হয় ৰাহুল গান্ধী৷ পুৱাই 'বীৰেন্দ্ৰ আখৰা'ত উপস্থিত হৈ পুনিয়া আৰু আন মল্লযোদ্ধাসকলৰ সৈতে বাৰ্তালাপ কৰে৷ ছ'চিয়েল মিডিয়াত কেইবাখনো ফটো শ্বেয়াৰ কৰি গান্ধীয়ে লিখিছে “বহু বছৰৰ কঠোৰ পৰিশ্ৰম, ধৈৰ্য, অতুলনীয় অনুশাসনৰ পাছত আৰু তেজ আৰু ঘাম নিগৰাই এজন খেলুৱৈয়ে দেশৰ বাবে এটা পদক আনে। কেৱল এটা প্ৰশ্ন- যদি সেই খেলুৱৈসকল বা ভাৰতৰ কন্যাই সেই যুঁজ এৰি ৰাজপথত অধিকাৰ আৰু ন্যায়ৰ বাবে যুঁজ দিব লগা হয়, তেন্তে অভিভাৱকে সন্তানক এই পথ বাছনি কৰিবলৈ উৎসাহিত কৰিব নে? গান্ধীয়ে মল্লযোদ্ধা বজৰং পুনিয়া, বিনেশ ফোগাট আৰু সাক্ষী মালিকৰ নেতৃত্বত যন্তৰ-মন্তৰত পাঁচ মাহ ধৰি চলি থকা প্ৰতিবাদৰ কথা উল্লেখ কৰে৷ প্ৰতিবাদৰ কথা উল্লেখ কৰি গান্ধীয়ে কয়, “ভাৰতীয় কুস্তি ফেডাৰেচনৰ প্ৰাক্তন মুৰব্বী ব্ৰীজ ভূষণ শৰণ সিঙৰ বিৰুদ্ধে কেইবাজনো মহিলা খেলুৱৈয়ে যৌন শোষণ কৰাৰ অভিযোগ উত্থাপন কৰিছিল। এইসকল কৃষক পৰিয়ালৰ নিৰ্দোষ, স্পষ্টবাদী আৰু সৰল লোক, এওঁলোকক ত্ৰিৰংগা তুলি ধৰিবলৈ দিয়ক। সম্পূৰ্ণ সন্মান আৰু সন্মানৰ সৈতে ভাৰতক গৌৰৱান্বিত কৰিবলৈ দিয়ক।” এক প্ৰশ্নৰ উত্তৰত গান্ধীয়ে এই ভ্ৰমণ 'আকস্মিক' বুলি কৈ কয় যে মল্লযোদ্ধাসকল এই বিষয়ে অৱগত নহয়। গান্ধী যোৱাৰ পাছত বজৰং পুনিয়াই সাংবাদিকক কয় যে কংগ্ৰেছ নেতাজনে আখাৰাত মল্লযোদ্ধাসকলৰ দৈনন্দিন ৰুটিন প্ৰত্যক্ষ কৰে আৰু বাৰ্তালাপ কৰে। "পুৱা ৬.১৫ বজাত আখৰাত উপস্থিত হৈ আমাৰ দৈনন্দিন ৰুটিনৰ বিষয়ে সুধিছিল আৰু ব্যায়াম কেনেদৰে কৰো প্ৰত্যক্ষ কৰি কিছু ব্যায়াম কৰিছিল। আমি সুখী হৈছো যে তেওঁৰ মল্লযুদ্ধৰ বিষয়ে যথেষ্ট জ্ঞান আছে আৰু কিছুমান কৌশলো জানে।”- পুনিয়াই কয়। ব্ৰীজ ভূষণৰ ঘনিষ্ঠ সঞ্জয় সিঙক ভাৰতীয় কুস্তি ফেডাৰেচনৰ সভাপতি হিচাপে নিৰ্বাচিত কৰাৰ প্ৰতিবাদত পুনিয়াই শুকুৰবাৰে পদ্মশ্ৰী সন্মান ঘূৰাই দিছে। মল্লযোদ্ধাসকলে দাবী কৰিছে যে ব্ৰীজ ভূষণৰ ঘনিষ্ঠ সহযোগীক ডব্লিউএফআইত অন্তৰ্ভুক্ত কৰাব নালাগে। ব্ৰীজ ভূষণৰ ঘনিষ্ঠ সঞ্জয় সিঙক অধ্যক্ষ নিৰ্বাচনৰ পাছতে ৰিঅ' অলিম্পিকৰ ব্ৰঞ্জ পদক বিজয়ী সাক্ষী মালিকে খেলত্যাগ কৰাৰ ঘোষণা কৰিছিল। দুবাৰৰ বিশ্ব চেম্পিয়নশ্বিপ পদক বিজয়ী বিনেশ ফোগাটে মঙলবাৰে খেল ৰত্ন আৰু অৰ্জুন বঁটা প্ৰধানমন্ত্ৰীক ঘূৰাই দিয়াৰ ঘোষণা কৰিছে৷ মল্লযোদ্ধাসকলে ন্যায়ৰ বাবে সংগ্ৰাম কৰি আছে তেনে সময়ত এনে সন্মান অৰ্থহীন হৈ পৰিছে বুলি কয় বিনেশ ফোগাটে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান